# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 15-11-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। বিহাৰ বিধানসভা নিৰ্বাচনত শাসনাধিষ্ঠিত এন ডি এ মৰ্চা বিপুল সংখ্যাগৰিষ্ঠতাৰে পুনৰবাৰ শাসনলৈ আহিছে।

২। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিহাৰ বিধানসভা নিৰ্বাচনত জয়লাভ, বিকাশৰ ৰাজনীতিৰ বাবে জনাদেশ বুলি উল্লেখ কৰিছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটত কেইবাটাও কাৰ্যসূচীত অংশ ল'ব।

৪। সমগ্ৰ দেশে আজি স্বাধীনতা সংগ্ৰামী তথা জনজাতীয় নেতা ভগৱান বীৰছা মুণ্ডাৰ জয়ন্তী জনজাতীয় গৌৰৱ দিৱস হিচাপে পালন কৰিছে।

*আৰু*

৫। কলকাতাত অনুষ্ঠিত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ প্ৰথম টেষ্টৰ কালি প্ৰথম দিনা ভাৰতে নিজৰ প্ৰথম ইনিংছত সংগ্ৰহ কৰা ৩৭ ৰানৰ পৰা আজি দ্বিতীয় দিনৰ খেল আৰম্ভ কৰিব।

ooooo

বিহাৰ বিধানসভা নিৰ্বাচনত শাসনাধিষ্ঠিত এন ডি এ মৰ্চা বিপুল সংখ্যাগৰিষ্ঠতাৰে পুনৰবাৰ শাসনলৈ আহিছে। এন ডি এই মুঠ ২৪৩ খন আসনৰ ভিতৰত ২০২ খনতে জয়লাভ কৰিছে। আটাইকইটা সমষ্টিৰ ফলাফল যোৱা নিশা ঘোষণা কৰা হয়। ৰাজ্যখনত চৰকাৰ গঠনৰ বাবে যিকোনো এটা দল বা মিত্ৰজোঁটক ১২২ খন আসনৰ প্ৰয়োজন আছিল।

বিজেপিয়ে অকলে ৮৯ খন আসনত জয়লাভ কৰিছে। এন ডি এৰ সহযোগী দল মুখ্যমন্ত্ৰী নীতিশ কুমাৰ নেতৃত্বাধীন JDUয়ে ৮৫খন আসনত জয়লাভ কৰাৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী ছিৰাগ পাছোৱান নেতৃত্বাধীন লোক জনশক্তি পাৰ্টীয়ে ১৯ খন আসন লাভ কৰে। প্ৰাক্তন মুখ্যমন্ত্ৰী জিতন ৰাম মাঝী নেতৃত্বাধীন হিন্দুস্তানী আৱামী মৰ্চাই পাঁচ খন আৰু উপেন্দ্ৰ কুছৱাহা নেতৃত্বাধীন ৰাষ্ট্ৰীয় লোক মৰ্চাই চাৰি খন আসনত জয়লাভ কৰে। এন ডি এৰ হৈ জয়লাভ কৰা অন্যতম নেতাসকলৰ ভিতৰত উপ-মুখ্যমন্ত্ৰীদ্বয় সম্ৰাট চৌধৰী আৰু বিজয় কুমাৰ সিন্‌হা, ৰাজ্যিক মন্ত্ৰী প্ৰেম কুমাৰ, মহেশ্বৰ হাজাৰী আৰু সঞ্জয় ছাৰাওগি তথা বিজেপিৰ মৈথিলী ঠাকুৰ আছে।

আৰ জে ডি নেতৃত্বাধীন মহাজোঁটবন্ধনে কেৱল ৩৫ খন আসন লাভ কৰিবলৈ সমৰ্থ হয়। আৰ জে ডিয়ে ২৫ খন আসন লাভ কৰাৰ বিপৰীতে কংগ্ৰেছে ৬ খন, চি পি আই (এম এল) লিবাৰেশ্যনে দুখন, আৰু চি পি আই (এম) আৰু আই আই পিয়ে এখনকৈ আসন লাভ কৰে। হায়দৰাবাদৰ সাংসদ আছাদউদ্দিন ওৱেছি নেতৃত্বাধীন এ আই এম আই এমে পাঁচখন আসন লাভ কৰাৰ লগতে বহুজন সমাজপাৰ্টীয়ে মাত্ৰ এখন আসন লাভ কৰে। বিৰোধী পক্ষত

যথেষ্ট সংখ্যক ভোটেৰে জয়লাভ কৰা নেতাসকলৰ ভিতৰত  আৰ জে ডিৰ নেতা তথা মহামিত্ৰজোঁটৰ মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী তেজস্বী যাদব আৰু চি পি আই (এম এল)ৰ সন্দীপ সৌৰভ অন্যতম। প্ৰথমবাৰৰ বাবে নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰশান্ত কিশোৰৰ জন সূৰয পাৰ্টীয়ে এখনো আসন লাভ কৰিবলৈ সমৰ্থ নহ'ল।

ooooo

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিহাৰ বিধানসভা নিৰ্বাচনত জয়লাভ বিকাশৰ ৰাজনীতিৰ বাবে এক জনাদেশ  বুলি উল্লেখ কৰিছে। তেওঁ কয়, যে এই নিৰ্বাচনে পৰিয়ালকেন্দ্ৰিক ৰাজনীতিক অস্বীকাৰ কৰিছে। নতুন দিল্লীৰ বিজেপিৰ মুখ্য কাৰ্যালয়ত কালি সন্ধিয়া দলৰ কৰ্মকৰ্তাসকলক উদ্দেশ্যি দিয়া ভাষণত শ্ৰী মোদীয়ে কয়, যে এয়া হৈছে, আৰ জে ডিৰ জংগলৰাজৰ সন্মুখীন হোৱা বিহাৰৰ মহিলাসকলৰ জয়। তেওঁ ইয়াক গণতন্ত্ৰৰ জয় বুলি উল্লেখ কৰে যিয়ে দেশৰ নিৰ্বাচন প্ৰক্ৰিয়াৰ ওপৰত আস্থা বৃদ্ধি কৰে। শ্ৰী মোদীয়ে কয়, যে পূৰ্বে বিহাৰত খুব কমেই পুনৰ ভোটদান নোহোৱাকৈ নিৰ্বাচন হৈছিল। কিন্তু এইবাৰ শান্তিপূৰ্ণভাৱে নিৰ্বাচন সম্পন্ন হয় বুলি তেওঁ উল্লেখ কৰে। ভোটদাতাসকলে ভোটাৰ তালিকাৰ স্বচ্ছতাৰ বাবে পূৰ্ণ সমৰ্থন আগবঢ়াইছে বুলি উল্লেখ কৰি শ্ৰী মোদীয় কয়, যে এতিয়া সকলো দলৰে কৰ্তব্য হৈছে, ভোটাৰ তালিকাৰ সংশোধনৰ বাবে তেওঁলোকৰ কৰ্মকৰ্তাসকলক সক্ৰিয় কৰি তোলা। তেওঁ কয়, যে ৰাষ্ট্ৰই বৰ্তমান সামাজিক ন্যায়ৰ বাবে ভোটদান কৰিছে, য'ত প্ৰতিটো পৰিয়ালে সুযোগ, সন্মান আৰু সমতা লাভ কৰিছে। তেওঁ লগতে কয়, যে এন ডি এৰ বিজয়ত মহিলা আৰু যুৱ চামকে ধৰি সমাজৰ সকলো শ্ৰেণীৰ লোকৰ অৱদান আছে। এই জয়ে কেৰালা, তামিলনাডু, পডুচেৰী, অসম আৰু পশ্চিমবংগৰ বিজেপি কৰ্মকৰ্তাসকলক উৎসাহিত কৰিব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

শ্ৰী মোদীয়ে বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰ, হিন্দুস্তান আৱাম মৰ্চাৰ সভাপতি জিতন ৰাম মাঝী, ৰাষ্ট্ৰীয় সমতা পাৰ্টীৰ মুৰববী উপেন্দ্ৰ কুছৱাহা আৰু লোক জনশক্তি পাৰ্টীৰ মুৰববী ছিৰাগ পাছোৱানৰ নেতৃত্বৰ শলাগ লয়। বিজেপিৰ সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই কয়, যে বিহাৰৰ জনসাধাৰণে জংগলৰাজৰ বিপৰীতে উন্নয়নক বাচনি কৰিছে। এই শক্তিশালী জনাদেশে প্ৰৱল ঢৌৰ দৰে সকলো সন্দেহ উটুৱাই লৈ গৈছে বুলি তেওঁ উল্লেখ কৰে। শ্ৰী নাড্ডাই লগতে কয়, যে এই জনাদেশ হৈছে বিহাৰৰ সু-শাসনৰ বাবে অনুমোদন যিয়ে ৰাজ্যখনক প্ৰগতি আৰু বিকাশৰ পথলৈ লৈ গৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটত কেইবাটাও কাৰ্যসূচীত অংশ ল'ব। এই ভ্ৰমণকালত তেওঁ চুৰাটত নিৰ্মাণৰত বুলেট ৰে'ল ষ্টেচন পৰিদৰ্শন কৰি মুম্বাই-আহমেদাবাদ সংযোগী তীব্ৰ বেগী ৰে'ল কৰিড'ৰ নিৰ্মাণ কাৰ্যৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিব। ইয়াৰ পাছত শ্ৰী মোদীয়ে নৰ্মদা জিলাৰ দেৱমোগ্ৰা মন্দিৰ দৰ্শন কৰি পূজা-অৰ্চনা আগবঢ়াব। তেওঁ লগতে ধৰ্তি আবা বীৰচা মুণ্ডাৰ ১৫০ সংখ্যক জয়ন্তী উপলক্ষে ডেডিয়াপাৰাত আয়োজিত এটা অনুষ্ঠানত অংশ ল'ব এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী মোদীয়ে ৯ হাজাৰ ৭০০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰী মোদীয়ে প্ৰধানমন্ত্ৰী জনজাতি আদিবাসী ন্যায় মহা অভিযান আৰু ধৰ্তি আবা জনজাতীয় গ্ৰাম্য উৎকৰ্ষ অভিযানৰ অধীনত ১ লাখ গৃহ প্ৰৱেশ অনুষ্ঠানতো অংশ ল'ব।

ooooo

সমগ্ৰ দেশে আজি স্বাধীনতা সংগ্ৰামী তথা জনজাতীয় নেতা ভগৱান বীৰছা মুণ্ডাৰ জয়ন্তী জনজাতীয় গৌৰৱ দিৱস হিচাপে পালন কৰিছে। জনজাতীয় ইতিহাসক জীৱন্ত কৰি ৰখাৰ গুৰুত্ব উপলব্ধিৰ অৰ্থে চৰকাৰে ২০২১ চনৰ

পৰা ১৫ নৱেম্বৰৰ দিনটো জনজাতীয় গৌৰৱ দিৱস হিচাপে পালন কৰি আহিছে। সময়ৰ লগে লগে এয়া জনজাতীয় গৌৰৱ সপ্তাহলৈ পৰিৱৰ্তিত হৈছে আৰু দেশৰ কোনে কোনে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান, প্ৰদৰ্শনী আৰু শিক্ষামূলক কাৰ্যসূচীৰে জনজাতীয় নায়ক বীৰছা মুণ্ডাৰ জীৱন আৰু কাৰ্যক জীয়াই ৰখাৰ প্ৰয়াস গ্ৰহণ কৰিছে।

চৰকাৰে জনজাতীয় স্বাধীনতা সংগ্ৰামীসকলৰ নামত উৎসৰ্গীকৃত সংগ্ৰাহালয় আৰু স্মাৰকসমূহৰ উন্নয়নৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰি আহিছে। এই উদ্দেশ্যে দেশৰ ১০ খন ৰাজ্যত ১১ টা সংগ্ৰহালয়ৰ অনুমোদন দিয়া হৈছে আৰু ইয়াৰে তিনিটা ইতিমধ্যে উন্মোচন কৰা হৈছে। এই সমূহৰ ভিতৰত ৰাচীঁত থকা বীৰছা মুণ্ডাৰ স্মাৰক উদ্যান আৰু সংগ্ৰহালয় অন্যতম। একেদৰে ৰায়পুৰৰ ডিজিটেল জনজাতীয় সংগ্ৰহালয়টো বীৰ নাৰায়ণ সিঙৰ নামেৰে নামকৰণ কৰা হৈছে।

ooooo

পৰ্যটন মন্ত্ৰ্যালয়ে ছিকিম চৰকাৰৰ পৰ্যটন বিভাগৰ সহযোগত গেংটকৰ পাংথাঙত ত্ৰয়োদশ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলা অনুষ্ঠিত কৰিছে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত কালি অৰুণাচলৰ মুখ্যমন্ত্ৰী পেমা খান্দু, অৰুণাচলৰ পৰ্যটন মন্ত্ৰী পাচং দৰ্জে চোনা, অসমৰ পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, ছিকিমৰ পৰ্যটন মন্ত্ৰী ছেৰিং ঠেনডুপ ভূটীয়াৰ উপৰি পৰ্যাটন মন্ত্ৰালয়ৰ সচিব ভি বিদ্যাৱতী আৰু অকিৰিক্ত সচিব সুমন বিল্লাকে ধৰি ভালেকেইগৰাকী শীৰ্ষ বিষয়াই অংশগ্ৰহণ কৰে। অনুষ্ঠানত ভাষণ দি অসমৰ পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বৰ কথা উল্লেখ কৰি কয়, যে বৰ্তমান উত্তৰ-পূৰ্বাঞ্চলে পৰ্যটন খণ্ডত উল্লেখনীয় বিকাশৰ সাক্ষী হৈছে। মন্ত্ৰীগৰাকীয়ে সকলোকে অসমৰ মিনি ছুইজাৰলেণ্ড হিচাপে খ্যাত হাফলং ভ্ৰমণ কৰি ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰিবলৈ আমন্ত্ৰন জনায়। এই আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাত ছিকিমকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ পৰ্যটন খণ্ডসমূহৰ আলোকপাত কৰা হৈছে।

ooooo

কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ প্ৰথম টেষ্টৰ কালি প্ৰথম দিনা ভাৰতে নিজৰ প্ৰথম ইনিংছত এটা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৩৭ ৰানৰ  পৰা আজি দ্বিতীয় দিনৰ খেল আৰম্ভ কৰিব। প্ৰথম দিনৰ সামৰণিত কে এল ৰাহুলে ১৩ আৰু ৱাশ্বিংটন সুন্দৰে ৬ ৰানত বেট ধৰি আছে। ভাৰতে স্বাচ্ছন্দে প্ৰথম ইনিংছ আৰম্ভ কৰে যদিও ব্যক্তিগত ১২ ৰানত ভাৰতৰ অ'পেনাৰ য়শস্বী জয়ছোৱাল য়ানছেনৰ বলত আউট হয়।

ইয়াৰ পূৰ্বে কালি ভাৰতীয় বলাৰসকলৰ নিয়ন্ত্ৰিত ব'লিঙৰ সন্মুখত দক্ষিণ আফ্ৰিকাৰ বেটিং বিপৰ্যয় ঘটে। দক্ষিণ আফ্ৰিকাই ১৫৯ ৰান কৰি আটাইকেইটা উইকেট হেৰুৱাই প্ৰথম ইনিংছ সামৰে। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই ১৪ অভাৰত ২৭ ৰান দি পাঁচটা উইকেট দখল কৰে। মহম্মদ ছিৰাজ আৰু কুলদ্বীপ যাদৱে দুটাকৈ আৰু অক্ষৰ পেটেলে এটা উইকেট দখল কৰে।

শৃংখলাটোৰ দ্বিতীয় তথা অন্তিমখন টেষ্ট অহা ২২ নৱেম্বৰত গুৱাহাটীত অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত